# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date : 10-07-2024**
**Time : 19-10 Hrs**

# ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিয়েনাত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহমাৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন বিষয় লৈ আলোচনা কৰে।

২। উচ্চতম ন্যায়ালয়ে কৈছে যে, ফৌজদাৰী কাৰ্যবিধিৰ ১২৫ নম্বৰ অনুচ্ছেদৰ অধীনত মুছলিম মহিলাসকলৰ স্বামীৰ পৰা খোৰাকী লাভৰ অধিকাৰ আছে।

৩। দেশৰ ৭ খন ৰাজ্যৰ ১৩ টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে।

৪। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই দেশত ডেংগীৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ কৰাৰ প্ৰস্তুতিৰ মূল্যায়নৰ উদ্দেশ্যে আজি মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। ***আৰু***

৫। ভাৰতে হাৰাৰে স্প'ৰ্টছ ক্লাবত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত জিম্বাব'ৱেক ১৮৩ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিয়েনাত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহমাৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ সৈতে জড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰে। ইয়াৰ ভিতৰত বাণিজ্য আৰু বিনিয়োগ, বিজ্ঞান আৰু প্ৰযুক্তি, সেউজ শক্তি, কৃত্ৰিম বুদ্ধিমত্তা, ষ্টাৰ্ট আপ, পৰিবেশ আৰু জলবায়ু পৰিৱৰ্তন, সাংস্কৃতিক সহযোগিতা আৰু উভয় দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক অন্যতম। দুয়োগৰাকী নেতাই লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰে। বৈঠকৰ অন্তত শ্ৰীমোদীয়ে কয় যে, তেওঁলোকে জলবায়ু পৰিৱৰ্তন আৰু সন্ত্ৰাসবাদকে ধৰি মানৱতাই বৰ্তমান সন্মুখীন হোৱা বৃহৎ প্ৰত্যাহ্বানসমূহক লৈ আলোচনা কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ অষ্ট্ৰিয়াক আন্তৰাষ্ট্ৰীয় সৌৰজোট, বিপৰ্যয় অনুকুল আন্তঃগাথনি গোট আৰু জৈৱ ইন্ধনজোটসহ ভাৰতৰ উদ্যমত যোগদান কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে।

শ্ৰীমোদীয়ে কয় যে, গণতন্ত্ৰ আৰু আইনৰ শাসনত উমৈহতীয়া প্ৰমূল্যৰাজিৰ প্ৰতি বিশ্বাস ভাৰত আৰু অষ্ট্ৰিয়াৰ মাজৰ সম্পৰ্কৰ শক্তিশালী ভেটিস্বৰূপ। পাৰস্পৰিক আস্থা আৰু উমৈহতীয়া স্বাৰ্থই এই সম্পৰ্কক অধিক সুদৃঢ় কৰা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয় কয় যে চেঞ্চেলৰ নেহমাৰ সৈতে হোৱা ফলপ্ৰসূ আলোচনাৰ পাৰস্পৰিক সহযোগিতা অধিক শক্তিশালী কৰাত নতুন সম্ভাৱনা চিনাক্ত কৰা হৈছে। তেওঁলোকে এই সম্পৰ্ক

কৌশলগত দিশ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে, তেওঁলোকে ইউক্ৰেইন আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিসহ বিশ্বৰ বিভিন্ন প্ৰান্তৰ সংঘৰ্ষক লৈ বিস্তৃতভাৱে আলোচনা কৰিছে। প্ৰধানমন্ত্ৰীয়ে এয়া যুদ্ধৰ সময় নহয়  বুলি মন্তব্য কৰে।

আলোচনাত দুয়োগৰাকী নেতাই ৰাষ্ট্ৰসংঘ আৰু অন্য আন্তৰ্ৰাষ্ট্ৰীয় সংস্থাসমূহক ফলপ্ৰসূ কৰি তোলাৰ বাবে এনে সংস্থাসমূহক সংস্কাৰৰ পোষকতা কৰে।

অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহমাই কয় যে, আন্তঃগাথনি, সমাজৰ ডিজিটীয়কৰণ আৰু বুনিয়াদি আন্তঃগাথনিৰ দ্ৰুত বিকাশে ভাৰতৰ সাফল্যক প্ৰতিফলিত কৰে।

০০০০

উচ্চতম ন্যায়ালয়ে কৈছে যে, ফৌজদাৰী কাৰ্যবিধিৰ ১২৫ নম্বৰ অনুচ্ছেদৰ অধীনত মুছলিম মহিলাসকলৰ স্বামীৰ পৰা খোৰাকী লাভৰ অধিকাৰ আছে।  ফৌজদাৰী কাৰ্যবিধিৰ ১২৫ নম্বৰ অনুচ্ছেদৰ অধীনত বিবাহ বিচ্ছেদিত পত্নীক খোৰাকী প্ৰদানৰ বাবে দিয়া নিৰ্দেশৰ বিৰুদ্ধে এগৰাকী ব্যক্তিয়ে দাখিল কৰা আবেদন খাৰিজ কৰি ন্যায়াধীশ বি ভি নাগৰত্না আৰু আগষ্টিন জৰ্জ মছিহক লৈ গঠিত এখন বিচাৰপীঠে এইদৰে ৰায় দিয়ে। বিচাৰপীঠখনে লগতে আবেদন বিচৰাধীন হৈ থকা অৱস্থাত কোনো মহিলাক বিবাহ বিচ্ছেদ প্ৰদান কৰিলে তেওঁ ২০১৯ চনত বিবাহ অধিকাৰ সংৰক্ষণ আইনৰ সহায় লব পাৰে বুলি ৰায় দিয়ে। বিচাৰপীঠখনে কয় যে, ১৯৮৬ চনৰ মুছলিম মহিলা বিবাহ বিচ্ছেদ অধিকাৰ সংৰক্ষণ আইন ধৰ্ম নিৰপেক্ষ আইনৰ উৰ্ধত নহয়। ২০১৯ চনৰ আইনৰ অধীনৰ ব্যৱস্থাৱলী ফৌজদাৰী কাৰ্যবিধিৰ ১২৫ নম্বৰ অনুচ্ছেদৰ ওপৰঞ্চি বুলিও বিচাৰপীঠখনে মন্তব্য কৰে।

এগৰাকী বিবাহ বিচ্ছেদিত মুছলিম মহিলাক স্বামীৰ পৰা খোৰাকী দাবী কৰাৰ অধিকাৰ প্ৰদান কৰি উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ প্ৰতি বিজেপিয়ে আদৰণি জনাইছে। নতুন দিল্লীত আজি সংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত দলৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয় যে, সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায় মুছলমান সম্প্ৰদায়ৰ মহিলাৰ বাবে ডাঙৰ সকাহ আৰু এই ৰায়ে ধৰ্ম নিৰ্বিশেষে সকলো মহিলাকে সমান সন্মান প্ৰদান কৰে। ১৯৮৫ চনৰ শ্বাহ বানো গোচৰৰ কথা উল্লেখ কৰি শ্ৰীত্ৰিবেদীয়ে কয় যে, কংগ্ৰেছ ক্ষমতালৈ আহিলে দলটোৱে সংবিধানক বিভিন্ন ধৰণে আক্ৰমণ কৰে। তেওঁ কয় যে, সেই সময়ৰ কংগ্ৰেছ চৰকাৰে শ্বাহ বানো গোচৰৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ ৰায়ক উপেক্ষা কৰি সংবিধান দুৰ্বল কৰি তুলিছিল। এই  গোচৰৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে মুছলমান সম্প্ৰদয়ৰ মহিলাৰ খোৰাকী ভাট্টাৰ অধিকাৰ বৰ্তাই ৰাখিছিল। তেওঁ লগতে কয় যে, সৰ্বোচ্চ ন্যায়ালয়ৰ আজিৰ ৰায়ে ৩৯ বছৰ পূৰ্বৰ বিপদ সমুলি নাশ কৰিলে।

০০০০

দেশৰ ৭ খন ৰাজ্যৰ ক্ৰমে পশ্চিমবংগ, পাঞ্জাব, বিহাৰ, তামিলনাডু, মধ্যপ্ৰদেশ, উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশৰ ১৩ টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হৈছে। পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ আৰম্ভ হৈছে। অহা ১৩ জুলাইত উপ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হব।

তামিলনাডুৰ বিক্ৰৱন্দী সমষ্টিত ভোটদানৰ উচ্চ হাৰৰ বাতৰি পোৱা গৈছে। যোৱা ৬ এপ্ৰিলত ডি এম কেৰ বিধায়ক এন পুগাঝেনথাইৰ মৃত্যু হোৱাত আসনখন খালী হৈছিল। ২৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়োৱা এই সমষ্টিটো সন্ধিয়া ৫ বজালৈ ৭৭ দশমিক ৭ - ৫ শতাংশ ভোটদান হৈছে।

বিহাৰৰ পুৰ্ণিয়া জিলাৰ ৰূপাউলী বিধানসভা সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়া বৰষুণৰ ফলত বিঘ্নিত হোৱা দেখা গৈছে। সন্ধিয়া ৫ বজালৈ বিধানসভাৰ সমষ্টিটোত ৫১ দশমিক ১-৪ শতাংশ ভোটগ্ৰহণ হোৱা বুলি বাতৰি পোৱা গৈছে।

মধ্য প্ৰদেশৰ চিন্দৱাৰা জিলাৰ অমৰৱাৰা সমষ্টিত ভোটগ্ৰহণ শান্তিপূৰ্ণ আছিল। বাতৰি লিখাৰ পৰলৈকে ৭২ দশমিক ৮-৯ শতাংশ ভোটগ্ৰহণ উত্তৰাখণ্ডৰ চামলী জিলাৰ বদ্ৰীনাথ সমষ্টি আৰু হৰিদ্বাৰ জিলাৰ মেংগালোৰ বিধানসভা সমষ্টিত ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। বদ্ৰীনাথ সমষ্টিত সন্ধিয়া ৫ বজালৈ ৪৭ দশমিক ৬-৮ শতাংশ আৰু মেংগালোৰ সমষ্টিত ৬৭ দশমিক ২- ৮ শতাংশ ভোটগ্ৰহণ হয়।

ইফালে, পাঞ্জাৱ পশ্চিম জলন্ধৰ আসনখনত শেহতীয়া তথ্য অনুসৰি ৫১ দশমিক ৩-০ ভোটগ্ৰহণ হৈছে। পশ্চিমবংগৰ চাৰিওটা  সমষ্টি বাগদাত ৬৫ দশমিক ১-৫ শতাংশ, ৰায়গঞ্জত ৬৭ দশমিক ১-২ শতাংশ, ৰানাঘাটত ৬৫ দশমিক ৩-৭ শতাংশ আৰু মানিকতালাত সন্ধিয়া ৫ বজালৈ ৫১ দশমিক ৩-৯ শতাংশ ভোটগ্ৰহণ হয়।

ইফালে, জ্যেষ্ঠ নিৰ্বাচন আয়ুক্ত, উপ নিৰ্বাচন আয়ুক্তদ্বয় নীতেশ ব্যাস আৰু ধৰ্মেন্দ্ৰ শৰ্মাৰ নেতৃত্বত নিৰ্বাচন আয়োগৰ ছজনীয়া এটা দল আজি দুদিনীয়া ভ্ৰমণসূচীলৈ ৰাচিত উপস্থিত হয়। তেওঁলোকে এই বছৰৰ শেষৰ ফালে ৰাজ্যখনত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যবেক্ষণ কৰিব।

০০০০

দিল্লীৰ প্ৰাক্তন মন্ত্ৰী তথা আম আদমী পাৰ্টীৰ বিধায়ক ৰাজ কুমাৰ আনন্দে আজি বিজেপিত যোগদান কৰে। আপৰ বিধায়ক কাটাৰ সিং টনৱাৰেও বিজেপিত যোগদান কৰিছে। নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত সাধাৰণ সম্পাদক অৰুণ সিং আৰু দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচদেৱাই তেওঁলোকক দলত যোগদান কৰোৱায়। একেটা অনুষ্ঠানতেই আপৰ কিছুসংখ্যক অন্য নেতায়ো বিজেপিত যোগদান কৰে।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই দেশত ডেংগীৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ কৰাৰ প্ৰস্তুতিৰ মূল্যায়নৰ উদ্দেশ্যে আজি মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীনাড্ডাই কয় যে, স্বাস্থ্য মন্ত্ৰালয়ে ডেংগীৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ বাবে আঁচনি প্ৰস্তুত কৰি উলিয়াইছে আৰু এই সন্দৰ্ভত ৰাজ্যসমূহৰ সৈতে একেলগে কাম কৰি আছে। তেওঁ কয় যে, মন্ত্ৰালয়ে অহৰ্নিশে  কাৰ্যক্ষম ডেংগী হেল্পলাইন মুকলি কৰিব। ৰাজ্যসমূহকো পৰৱৰ্তী ৪-৫ দিনৰ ভিতৰত একে ধৰণৰ হেল্পলাইন মুকলি কৰিবলৈ কোৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত চলিত বৰ্ষৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী উন্মোচন কৰে। ইয়াৰ ভিতৰত ডুৰাণ্ড কাপ, প্ৰেছিডেণ্টছ কাপ আৰু চিমলা ট্ৰফী আছে।

এই উপলক্ষে ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ফুটবল বিশ্বৰ আটাইতকৈ জনপ্ৰিয় খেলসমূহৰ অন্যতম। তেওঁ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া সকলো খেলুৱৈক শুভেচ্ছা জ্ঞাপন কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে খেলুৱৈসকলক কয় যে, খেলত সুস্থ প্ৰতিযোগিতা হোৱা উচিত, লাগিলে তেওঁলোকে জয়লাভেই কৰক বা পৰাজিতই হওক। খেলুৱৈসকলে দৃঢ় সংকল্প আৰু খেলুৱৈসুলভ মানসিকতাৰে প্ৰতিযোগিতাত ব্ৰতী হব বুলি ৰাষ্ট্ৰপতিয়ে আশা প্ৰকাশ কৰে।

০০০০

ভাৰতে হাৰাৰে স্প'ৰ্টছ ক্লাবত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত জিম্বাব'ৱেক ১৮৩ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেটৰ বিনিময়ত ১৮২ ৰাণ কৰে। ভাৰতৰ হৈ শুভমন গীলে ৪৯ টা বলত ৬৬ ৰাণ আৰু ৰুতুৰাজ গাইকোৱাদে ২৮ টা বলত ৪৯ ৰাণৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত জিম্বাবুৱে আমালৈ বাতৰি অহাৰ পৰলৈকে ১০ অভাৰত ৫ টা উইকেট হেৰুৱাই ৬০ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

০০০০

সমাপ্ত